**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 30-10-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা উপলক্ষে অহা ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ ৰাজ্যজুৰি ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰা হ'ব। চৰাইদেউ জিলাতো বিভিন্ন কাৰ্যসূচীৰে ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। ভাষা গৌৰৱ সপ্তাহ উদযাপনৰ বিভিন্ন দিশ আৰু প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ বাবে আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে মাতৃভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিয়া হ'ব বুলি উল্লেখ কৰে। তেওঁ জিলাবাসীক ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ বাবে প্ৰধানমন্ত্ৰীলৈ কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে শিক্ষানুষ্ঠান, সামাজিক, সাংস্কৃতিক আৰু জাতীয় সংগঠনৰ লগতে ছাত্ৰ সংগঠনসমূহক বিভিন্ন কাৰ্যসূচী আয়োজন কৰিবলৈ আহ্বান জনায়।

০০০০০০০

কৃষিমন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাটৰ মহুৰা বৰপথাৰত ই চি আৰ পি আঁচনিৰ অধীনত নিৰ্মিত আয়ুষ্মান আৰোগ্য মন্দিৰৰ ছখন বিছনাযুক্ত গৃহটো আনুষ্ঠানিকভাৱে মুকলি কৰে। এই প্ৰতিষ্ঠানখনে স্থানীয় ৰাইজক তাৎক্ষণিক চিকিৎসা প্ৰদানৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

ভাৰতীয় ৰে'লৱেই দীপাৱলী আৰু ছট পূজা উপলক্ষে জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি হাজাৰৰো অধিক বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত ২ হাজাৰ ৫০০ৰো অধিক বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। আনহাতে উত্তৰ-পূব সীমান্ত ৰে'লৱেও দীপাৱলী আৰু ছট পূজা উপলক্ষে উত্তৰ-পূবত কেইবাখনো বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হ'ব। ইতিমধ্যে হাতীৰ ছাফাৰীৰ বাবে হাতীৰ স্বাস্থ্য পৰীক্ষা, মাউতৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় সকলো কাম-কাজ সম্পন্ন কৰা হৈছে। কঁহৰা বনাঞ্চলত বন বিভাগৰ ১০টা পোহনীয়া হাতী আৰু বাগৰি বনাঞ্চলত প্ৰায় ৫০ হাতীৰ পঞ্জীয়ন কৰা হৈছে। ইপিনে, নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প ২০২৪-২৫ বৰ্ষৰ বাবে আজিৰে পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰী ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিছে।

০০০০০০০

সমগ্ৰ দেশজুৰি পোহৰৰ উৎসৱ দীপাৱলী উৎসাহ-উদ্দীপনাৰে পালন কৰাৰ বাবে প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। ৰাম জনমভূমি মন্দিৰতো প্ৰথম দীপাৱলী উৎসৱৰ আয়োজন প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অযোধ্যাত ২৮ লাখ বন্তি প্ৰজ্বলনেৰে নতুন বিশ্ব অভিলেখ গঢ়াৰ প্ৰস্তুতি সম্পূৰ্ণ হোৱা বুলি জানিব পৰা গৈছে। ৰাম মন্দিৰ চৌহদত এইবাৰ উদযাপন কৰিবলগীয়া দীপাৱলী উৎসৱ বিশেষভাৱে ব্যতিক্ৰম হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। অযোধ্যাত নৱনিৰ্মিত ৰাম মন্দিৰৰ মহাঅভিষেকৰ পাছৰ **দীপোৎসৱ ২০২৪** হিচাপে উদযাপন কৰিবলগীয়া এই প্ৰথমটো দীপাৱলীৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰিব। সৰযু নৈৰ পাৰত ২৮ লাখ চাকি প্ৰজ্বলন কৰি ৰাম মন্দিৰ পোহৰাই তোলা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০০০

**সমাপ্ত**